ASSAMESE



# মৰমৰ বাইদেউ

মূল কাহিনী: ৰিনচিন

অসমীয়া অনুবাদ: দেৱাশীষ ভূঞা

eklavya

# মৰমৰ বাইদেউ



মূল কাহিনী: ৰিনচিন

অসমীয়া অনুবাদ: দেৱাশীষ ভূঞা

eklavya

Pyaari Madam
Story: Rinchin
Illustrations: Shivatmika Lala
Design: Shivatmika Lala and Kanak Shashi
Photo: Maheen Mirza
Assamese Translation: Debasish Bhuyan
Editing: Ayang Trust & The Hummingbird School family
Editorial consultants: Nirmali Goswami and Priaydarshika Medhi

Story: Rinchin, June 2019
Assamese translation: Eklavya Foundation, 2023

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Development of this book was supported by the H T Parekh Foundation.

First edition: March 2023 (1000 copies)
Reprint: September 2025 (1000 copies)
Paper: 100 gsm Maplitho and cover 220 gsm FB Board (Cover)
ISBN: 978-93-94552-43-2
Price: ₹ 110.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: Adarsh Private Limited, Bhopal; Phone: +91 755 255 5442





মৰমৰ বাইদেউ,

কালি আমাৰ ইয়ালৈ কৰম নাচৰ দল এটা আহিছিল। সিহঁতে গোটেই ৰাতিটো নাচিলে।

ৰাতিপুৱা পোহৰ হোৱাৰ সময়ত হে আমি ঘৰলৈ আহি শুইছো। বিচনাত পৰাৰ পিছতো অলপ সময়ৰ বাবে মই নাচৰ কথাকেই ভাৱি আছিলো। পিছত সময়ত সাৰ নাপালো। সেইকাৰণে আজি স্কুললৈ যাব নোৱাৰিলো। আবেলি এপাক স্কুলৰ ফালে গৈছিলো। কিন্তু তেতিয়ালৈ স্কুল বন্ধ হৈছিল। সেইকাৰণে এই চিঠিখন থৈ গৈছো।


কাইলৈ আহিম।



মৰমৰ বাইদেউ,

মই একদম সঁচা কথা কৈছো, আমাৰ মাটিত কিছুমান মানুহে কিবা হেনো খন্দাৰ চেষ্টা কৰি আছে। আমাৰ কাষৰ ঘৰৰে খুৰাহঁতৰ মাটিত ৰাতিয়েই আহি খান্দি পেলালে। এতিয়া সিহঁতক গৈ পইচা আনিবলৈ কৈ আছে। মাটিখিনি বেচাৰ সিহঁতৰ মন নাছিল কিন্তু উপায় নাপায় বেচিব লগা হ'ল। মোৰ মা-দেউতাৰ চিন্তাতে অৱস্থা নাইকিয়া হৈ আছে। তেওঁলোকে কৈছে আমি আমাৰ মাটিৰ আধাহে বেচিছো। গাঁৱৰ ভিতৰৰ ফালে থকা মাটি বেচা নাই নহয়। তথাপিও জানো কিয় তাতেহে খান্দিব বিচাৰিছে? আজিকালি সদায় এইবোৰ কথাই চলি থাকে। কোম্পানীৰ মানুহবোৰে আমাক ঠগিলে।






মৰমৰ বাইদেউ,

স্কুলত দেখোন হেড ছাৰে সদায় কৈ থাকে যে পড়া-শুনা কৰা মানুহবোৰেহে পৃথিৱীখন সলনি কৰিব পাৰে। কিন্তু কোম্পানীৰ মানুহবোৰোতো ছাগে পড়া-শুনা কৰা মানুহেই।

তেন্তে সিহঁতবোৰে লিখা-পড়া নজনা মানুহবোৰক কিয় ইমান আমনি দিয়ে? দেউতাই সিদিনা কৈ আছিল যে আটাইতকৈ ডাঙৰ চোৰ এই লিখা-পড়া জনা মানুহবোৰেই। লিখা-পড়া নজনা মানুহবোৰে খালী সৰু-সুৰাকৈ হে চুৰ কৰে। ডাঙৰ-ডাঙৰ চুৰিৰ কামবোৰ এই লিখা-পড়া জনা মানুহবোৰেই কৰে। সঁচাই নেকি বাৰু?

আপুনি দেখোন আমাক সদায় পড়ায়েই থাকে....তেন্তে পিছলৈ কি আমাক চুৰ কৰিবলৈ শিকাব নেকি?



মৰমৰ বাইদেউ,

কালি আমাৰ গাঁৱৰ মানুহবোৰে ৰাস্তাত বৈ ধৰ্ণা দিছিল। সকলোৱে কৈ আছিল যাৰ যাৰ মাটি বেচিছে তেওঁলোকৰ ঘৰৰ পৰা এজনক চাকৰি দিব লাগে বোলে। তেতিয়া তাত থকা চাহাবে ক'লে, "চাকৰি দেখোন দিছিলোৱেই তহঁতক। কৰিব নোৱাৰিলে আমি কি কৰিব লাগে। পঢ়া-শুনা কৰা মানুহক হে চাকৰি দিম। বাকীবোৰে হাজিৰা কামেই কৰিব লাগিব।" মানুহবোৰৰ বৰ খং উঠিছিল।

আমি মানে একোৱেই নহয়? আমাৰ যে কোনো কথাই নামানে। আপুনি কয় যে মই এইবোৰলৈ মন নিদি পঢ়া-শুনা কৰিব লাগে। কিন্তু এইবোৰ কথালৈ মন নিদিয়াকৈ কেনেকৈ থাকিম নো?



মৰমৰ বাইদেউ,

মায়ে বাকী মানুহবোৰক ৰেলীত যাবলৈ কৈ আছিল। কিন্তু বাকী মাইকী মানুহবোৰে কৈছিল যে কামলৈ যাব লাগিব, তেতিয়াহে পইচা পাব। মায়ে ক'লে, "আৰে, আমাৰ ককা-আজোককা হঁতো এনেকৈয়ে পইচা ঘটি মৰি থাকিল। কিবা সলনি হ'লনে? সব একেই হৈ থাকিল। এতিয়া এইবোৰ সলনি কৰাৰ সময়। কিবা নহয় কিবা কৰিবই লাগিব। সময় সলনি কৰিবই লাগিব।"

মায়ে সদায় কিবা নিয়ম ভঙাৰ কথা কৈ থাকে। কিন্তু মোৰ হাতৰ পৰা কিবা এটা পৰি ভাঙিলে গালি দিয়ে।





মৰমৰ বাইদেউ,

আজিকালি মানুহবোৰে প্ৰায়েই কৈ থাকে যে মাক হেনো পুলিচে ধৰি লৈ যাব? মোৰ বৰ ভয় লাগে। সঁচাই লৈ যাব নেকি বাৰু?

মৰমৰ বাইদেউ,

মাজে মাজে মায়ে যেতিয়া গাঁৱে-গাঁৱে মিটিং কৰি আহে তেতিয়া বৰ ভাগৰুৱা হৈ থাকে। আৰু আহিয়েই মোক গালি দিয়ে। কি যে অৱস্থাটো হৈ আছে তোৰ? গা-পা কিয় নোধোৱ? সিদিনা মোক বহুৱাই লৈ ওকনি মাৰিবলৈ লাগি গ'ল। তেনেতে সীমাই মোক চিকুটি দিলে। মই তাইক মাৰিবলৈ হাতখন উঠাওঁতে মাৰ চাহ কাপ পৰি থাকিল। খঙতে মায়ে মোক মাৰিবলৈ খেদি আহিল। তেনেতে সীমাই মাৰ হাততে থাপ মৰি ধৰি ক'লে, "তাইক নামাৰিবি মা। মই তোৰ অকণমানি টিপচী ছোৱালী আৰু তাই তোৰ ধেপেচী ছোৱালী। নামাৰিবি তাইক।" মায়ে হাঁহি দিলে আৰু ক'লে, "কেতিয়া যে ডাঙৰ হ'বি তহঁত।" তাৰপিছত চাহৰ কাপটো উঠাই থৈ পানী আনিবলৈ গ'ল। ঘূৰি অহাৰ সময়ত মই চোতালত ঝাড়ু দি আছিলো। মায়ে বিচনাতে অকণ পৰি দিয়াৰ লগে লগে টোপনি গ'ল। ৰাতিৰ খোৱা ময়েই বনালো আৰু মাক শোৱাৰ পৰা জগাই দিলো। "উঠ মা, খাই উঠি আকৌ শুই থাকিবি," মই ক'লো। উঠি লৈ মায়ে ক'লে, "তই হে দেখোন মোৰ মা হৈ গ'লি।" মাৰ চকুযোৰ চলচলীয়া হৈ পৰিল।

ডাঙৰ মানুহবোৰ বৰ আচৰিত। কেতিয়া কিনো হয় ধৰিবই নোৱাৰি।

আপোনাৰ মা ক'ত থাকে বাইদেউ? আপুনি মোক কেতিয়াও কোৱাই নাই দেখোন।







মৰমৰ বাইদেউ,

মা ঘৰলৈ ঘূৰি অহাৰ পিছত মই সৰ কথা কওঁ।

"মা, জাননে আজি তোৰ ছোৱালীয়ে কি কৰিলে?"

"কিনো মোৰ ছোৱালী মোৰ ছোৱালী কৰি থাক? তোৰ ভনীয়েৰ নহয় নেকি?"

"মোৰ ভনী নহয়," মই কওঁ। তই ঘৰত নথকাৰ সময়ত তাই কি কৰি থাকে জাননে? তই য'লৈ যাবলৈ মানা কৰ, তালৈকে যায়। যি কৰিবলৈ মানা কৰ, তাকে কৰে। কিন্তু তই তাইক একোৱেই নকৰ দেখোন। দেউতাকো তাই তেল মাৰিয়েই থাকে। সেইকাৰণে তাইক হকা-বধা কৰিবলৈ কোনোৱেই নাই। সঁচাই কৈছো মা, তাই বেয়া হ'লে কিন্তু মোক দোষ নিদিবি । তইহে দোষী হ'বি। এতিয়াই সাৱধান কৰি দিছো। তাইৰ ওপৰত চকু দিবি।

মায়ে ইমান হাঁহিবলৈ ধৰিলে যেন মই কিবা ৰগৰ হে কৰিছো।

আপোনাকো কৈ থ'লো দেই বাইদেউ, এইবোৰ খুব এটা ভাল হোৱা নাই। পিছত কিবা হ'লে মোক দোষী লাভ নাই।







মৰমৰ বাইদেউ,

আপুনি নিজৰ যতন ল'ব। আপোনাৰ গা বেয়া বোলে? এই দুদিন আমি বৰ ফুৰ্তি কৰিলো। গোটেই দিনটো আমি পথাৰত খেলিলো। মাখন ছাৰে ক'লে, "মই একেলগে দুটা ক্লাছ চম্ভালিব নোৱাৰো।" সেইকাৰণে আজি সোনকালে ছুটি দিলে। আমাৰ বেমাৰ হ'লে মায়ে নিজেই দৰৱ বনাই খাবলৈ দিয়ে। আপুনিও তাকে খাবচোন। সোনকালে ভাল পাব। কিন্তু আপোনাৰ গা সম্পূৰ্ণ ভাল হোৱাৰ পিছত হে আহিব। আমাৰ কথা চিন্তা কৰি নাথাকিব। আমি ভালে আছো।



মৰমৰ বাইদেউ,

আমি পঢ়া-শুনা কিয় কৰো? পঢ়ি শুনিনো কি লাভ? দেউতাইও তাকে কৈ থাকে। আপুনি কয় যে লিখা-পঢ়া কৰিলে আমাৰ জীৱন সলনি হৈ যাব। কিন্তু আমাৰ খেতিৰ মাটিকণ কাঢ়ি ল'লে দেখোন আমাৰ জীৱন এনেও সলনি হৈ যাব। আমাৰ নিজৰ বুলিবলৈ দেখোন একোৱেই নাথাকিব।

মৰমৰ বাইদেউ,

আজি মই আমাৰ গাঁৱৰ ডাঙৰ মানুহবোৰে পঢ়া স্কুললৈ গৈছিলো। কিছুমানে পঢ়িবলৈ পাই বৰ ফুৰ্তি পাইছিল। মাৰ কি যে ফুৰ্তি, নিজে লিখা আখৰ কেইটা পঢ়ি। মায়ে লিখিছিল, "আমি যুঁজিম।" মায়ে কৈছিল এই আখৰ কেইটা লিখিয়েই দেখোন কিবা শক্তি পোৱাৰ দৰে লাগিছে। গোটেইজনী একেবাৰে সৰু ল'ৰা-ছোৱালীৰ নিচিনাকৈ ফুৰ্তি কৰিছিল। কম কষ্ট কৰি লিখিছিল নে সেই আখৰ কেইটা। কৈছিল আজি মই নিজৰ মনৰ কথা লিখিব পাৰিছো।

মৰমৰ বাইদেউ,

আজি ১৫ আগষ্ট। সকলো ঠাইতে গান বাজি আছে। আমাৰ গাঁৱতো পাতিছে। কিন্তু দেউতাই যাবলৈ মানা কৰিছে। কৈছে, "এই মিছা স্বাধীনতাৰ একো লাভ নাই।" আমি স্কুললৈ গৈছিলো, পতাকাও উৰুৱালো। কোম্পানীৰ মানুহ আহি সৱকে লাড়ু দিলেহি। মই লাড়ু লৈ ঘৰলৈ অহাৰ পিছত দেউতাই ক'লে, "চাল্লা পঞ্চায়তৰ মানুহসোপা লাড়ু খাবলৈ পাই বিক্ৰী হৈ যাব।" মই একো বুজি নাপালো। লাড়ুকেইটা দেখাত ভালেই আছিল, কিন্তু মই পেলাই দিলো।

ঠিকেই কৰিলো নে বাৰু?



মৰমৰ বাইদেউ,

আজি মোৰ পৰীক্ষা আছিল। আজি আমাৰ গাইজনী পোৱালি এটা জগিছে। বৰ আচহুৱা ধৰণৰ আলহী কেইজনমানো আহিছিল। সিহঁতৰ পিছে পিছে পুলিছো আহিল। দেউতাই গাইজনী বাহিৰলৈ লৈ গৈ তাতে এৰি আহিল। মোৰ পৰীক্ষাও ভাল হোৱা নাই। পুলিছ অহাৰ কাৰণে আমি গাইজনীক ঘৰলৈ আনিবলৈ পাহৰি থাকিলো। পোৱালিটোৱে ভোকতে হেম্বেলিয়াই আছিল। তাৰ মাত শুনি আৰু তিনিটা গৰু পোৱালি আহি পালে। মায়ে ক'লে,
"চাচোন, তোৰ লগৰকেইটা তোক লগ কৰিবলৈ আহিছে।" পুলিছ কেইটাই মায়ে সিহঁতকে কৈছে বুলি ভাবিলে। সিহঁতে ঘূৰি চালে। ভাবিছিল ছাগৈ, যাক বিচাৰি আহিছিল, সিহঁত আহিছে। যেতিয়া ঘূৰি গৰু পোৱালিটোক দেখা পালে, আমি সৰেই হাঁহি দিলো। অকণ সময়ৰ কাৰণে চিন্তাটো কমিল। কি যে আজৱ দিন এটা পাৰ কৰিলো আজি! আপুনি আজৱ মানে কি জানেনে? আচৰিত।

আজিৰ দিনটো বৰ আচৰিত ধৰণৰ আছিল।





মৰমৰ বাইদেউ,

আমাৰ ঘৰলৈ আজিকালি ঘনাই পুলিচ আহিবলৈ লৈছে। মাক কিজানি ধৰি লৈ যাব। সিদিনা যেতিয়া মা চকাবন্ধৰ পৰা ঘূৰি আহিল, মই মায়ে ভাল পোৱা ফুলকবিৰ পাত আৰু লেছেৰা মাহৰ ভাজি বনাই থৈছিলো। দৌৰাদৌৰিতে মাৰ পায়েল জোৰো ক'ৰবাত পৰি আহিল। এতিয়া মই তাৰ কাৰণে পইচা গোটাই আছো। বজাৰৰ পৰা লৈ আহিম। মোৰ হাতত আইতাই দিয়া এশ টকা এটা আছে। আৰু ডেৰশ টকা লাগিব। মণি লগোৱা এডাল কিনিম। সহজে খুলি নপৰে। মায়ে সেইডাল ভালো পায়।

মৰমৰ বাইদেউ,

আজি আমাৰ গাঁৱৰ দেৱতাৰ বিয়া। গাঁৱৰ দেৱতাসকলক সন্তুষ্ট কৰি ৰখাটো বৰ দৰকাৰী। এইবাৰ গাঁৱৰ বাহিৰৰ পৰা তান্ত্ৰিক এজনো মাতিছে। প্ৰথমে তেওঁক এসোপামান বস্তু দি সন্তুষ্ট কৰিব। তাৰ পিছত সুধিব, "সব ঠিকেই আছে নে? গাঁৱৰ কাৰোবাৰ কিবা দোষ লাগিছে নেকি? কিবা উপায় আছে নে এইবোৰ ঠিক কৰাৰ?" তাত গোটেই গাঁৱৰ মানুহ গোট খাব। খালী আমাৰ দেউতাৰ হে তামাম খং উঠি থাকে। "তান্ত্ৰিকে কিডাল কৰিব পাৰিব? মই জানোতো গাঁওখনত কাৰ বেয়া নজৰ পৰিছে। ইয়াত সেই দালাল সোপাৰেই বেয়া নজৰ পৰিছে, আন একোডাল নহয়। তাৰ কাৰণে আমি যুঁজিব লাগিব। তান্ত্ৰিকে একো কৰিব নোৱাৰে।"

বাইদেউ আপুনি জৰা-ফুকা এইবোৰত বিশ্বাস কৰে নেকি? আপুনি কোনজন ভগৱানক মানে নো? ভগৱান আছে জানো?



মৰমৰ বাইদেউ,

এইবাৰ বিয়ালৈ আহোতে আপুনি আমাৰ লগত কিয় নানাচিলে? আপুনি বাহানা কৰি পলাল। সদায় কিবা কাম আছে বুলি কয়। আপুনি লাজ কৰে নহয় নে? মানে আপুনি নাচিব নাজানে ন? এবাৰ ঢোল বাজিলে নিজে নিজেই গা উঠে। আমিও নাচিবলৈ কেতিয়াও শিকা নাই। অহাবাৰলৈ বিয়ালৈ আহিলে আমি কেনেকৈ নাচো চাবচোন।

মৰমৰ বাইদেউ,

আজি ফাকুৱা আছিল। মই তামাম ফাকু খেলিলো। এতিয়াও ৰং যোৱা নাই। কাইলৈ তেনেকৈয়ে স্কুললৈ যাম। আপুনি গোটেই দিনটো লুকাই থাকিল। আপুনি ফাকু খেলি ভাল নাপায় নেকি?



মৰমৰ বাইদেউ,

আজি আমিবোৰ, মা আৰু খুড়ীৰ লগত খৰি গোটাবলৈ জংঘললৈ গৈছিলো। ওচৰৰ জংঘলখন আৰু এতিয়া বাচি থকা নাই। সেইকাৰণে দূৰলৈ যাব লাগে। ৰাতিপুৱা গ'লে গধূলি হে ঘৰলৈ উভতিব পাৰি। সেইকাৰণে আই দু নট কাম স্কুল।

মোৰ ইংলিছ পঢ়ি কেনে পাইছে?



মৰমৰ বাইদেউ,

আমাৰ কাষৰ মানুহঘৰ ইয়াৰ পৰা যাবগৈ। সিহঁতে বেলেগ ঠাইত মাটি কিনিলে। মা-দেউতাই ইয়াতে থাকি যুঁজি থাকিম বুলি কৈছে। সেইকাৰণে আমি ইয়াতে থাকিম।

মৰমৰ বাইদেউ,

খুড়াই কৈছে যিমান বেছি গছ ৰুম সিমান বেছি লাভ হ'ব। সেইকাৰণে আজি আমি গোটেই দিনটো আমাৰ ঘৰত গছ ৰুম।

স্কুললৈ নাযাওঁ।



মৰমৰ বাইদেউ,

আজি খুড়া আৰু দেউতাৰ মাজত মাটি-বাৰীৰ কথা লৈ ডাঙৰ কাজিয়া হ'ল। খুড়াই দালালৰ পাল্লাত পৰি মাটি বেচি দিলে। কাজিয়া ইমানেই বাঢ়িল যে খুড়াই কোৰ লৈ দেউতাৰ ফালে চোঁচা মাৰি আহিল। মা আৰু খুড়ীয়ে কোনোমতেহে ৰখালে। খুড়ীয়ে মূৰত দুখ পাইছে। আমাৰ আইতাই সব মনে মনে চাই থাকিল।

ঠগন দি বেচা মানেতো চুৰ কৰাই হ'ল ন?



মৰমৰ বাইদেউ,

আমি কেছত হাৰিলো। এতিয়া আমাৰ মাটিখিনি খন্দাৰ পৰা কোনেও ৰখাব নোৱাৰে। আমাৰ মাটি আৰু ঘৰ সকলো শেষ হৈ গ'ল।

আজি মই ঘৰতে থাকিম। স্কুললৈ নাযাওঁ।



মৰমৰ বাইদেউ,

মাক পুলিছে ধৰি লৈ গ'ল। ৰাতিয়েই জেললৈ পঠিয়াই দিলে। আমি মাক জেলৰ পৰা উলিয়াবলৈ যাওঁ। জামিননামা জমা কৰিব লাগিব। আৰু তিনিজনকো ধৰিছিল। সিহঁতে ধৰ্ণা দি আছিল। আৰু বহুত মানুহ আছিল। কৈছিল ইহঁতে বেছি নেতাগিৰি দেখাইছিল। সেইকাৰণে সিহঁতৰ নামত পুলিছক ৰিপ'ৰ্ট দিলে। বাৰে বাৰে কোৰ্টত হাজিৰ কৰি নিজে এদিন ভাগৰি পৰিব।





মৰমৰ বাইদেউ,

মাটি খান্দিবলৈ ব'ম ফুটোৱাৰ কাৰণে আমাৰ ঘৰৰ দমকলটো মাটিত সোমাই গ'ল। কালি আমি গোটেই দিনটো সেইটো উলিওৱাত লাগি থাকিলো। উলিয়াই অনাৰ পিছত নচলা হ'ল। খঙতে দেউতাই পুলিছত এফ.আই.আৰ দিবলৈ গৈছিল। পুলিছৰ মানুহবোৰে দেউতাৰ কথাত হাঁহিবলৈ ধৰিলে। কিন্তু সিহঁতে গোচৰ নিলিখালৈকে আমি তাৰ পৰা নাহিলো।

ঘূৰি আহি উকীলক দেখাওঁতে ক'লে যে এইটোৰ একো কেছ নহয়। দেউতাই লিখা-পঢ়া জনা মানুহবোৰক আকৌ গালি দিলে।

সিহঁতে খালী ঠগিবলৈ হে জানে।





মৰমৰ বাইদেউ,

আমৰ বতৰ আহি পালে। কিন্তু আমাৰ গাঁৱৰ আধা-আধি আমৰ গছ কটা গ'ল। আগতে মানুহবোৰে যিমান মন যায় সিমান আনিবলৈ দিছিল। আজিকালি মানুহবোৰ বৰ কৃপণ হ'ল। কেইটামান হে আনিবলৈ দিয়ে। সেইকাৰণে এইবাৰ অকণমান হে আচাৰ বনাব পাৰিলো। আপোনাক তাকে অকণ দিছো। খাই কেনেকুৱা লাগিল ক'ব দেই।




মৰমৰ বাইদেউ,


আজি বহুত দূৰৰ পৰা চিঠি লিখিছো। আমি আমাৰ মামাহঁতৰ ঘৰলৈ আহিলো। এতিয়াৰে পৰা ইয়াতে থাকিম। ইয়াৰ পৰা বাছেৰে আমাৰ গাঁৱলৈ তিনি ঘন্টা মান লাগে। কেঁকুৰিটোতে নামিলেই হ'ল। তাৰপিছত তিনি কিলোমিটাৰ খোজকাঢ়িব লাগিব। আপুনি ইয়ালৈ আহিবনে?

মৰমৰ বাইদেউ,

ইমান দিনে যে মই স্কুললৈ যোৱা নাই, মোলৈ বাৰু আপোনাৰ মনত নপৰেনে? মোৰ খুব মনত পৰে আপোনালৈ। এতিয়া ছাগে আপুনি বাকী ল'ৰা-ছোৱালীবোৰক বেছিকৈ মৰম কৰে।









## ৰিনচিন

ৰিনচিনে শিশু আৰু প্ৰাপ্তবয়স্কৰ বাবে গল্প লিখে। গল্পবোৰত তেওঁ ৰাজনৈতিক জটিলতাৰ স্তৰবোৰ অতি সহজে বৰ্ণনা কৰিছে। তেওঁলোকৰ চৰিত্ৰবোৰ যিমানেই শক্তিশালী আৰু সজীৱ হৈ থাকে সিমানেই সাধাৰণ জীৱনৰ সংগ্ৰাম আৰু প্ৰেম কাহিনীবোৰত অতি সহজভাৱে প্ৰকাশ কৰা হয়। ৰিনচিনে প্ৰায় দুটা দশক ধৰি সামাজিক আৰু ৰাজনৈতিক বিষয়ত জন আন্দোলনৰ সৈতে কাম কৰি আহিছে। মহিলা আৰু বৰ্ণবাদ বিৰোধী বিষয়ৰ সৈতে জড়িত। ৰিনচিন একতাৰা কালেক্টিভৰ সদস্যও। একতাৰা কালেক্টিভ হৈছে স্বতন্ত্ৰ চিনেমাৰ ছত্ৰছায়াত চলচ্চিত্ৰ নিৰ্মাণ কৰা এক সাংস্কৃতিক গোট।

## শিৱাত্মিকা লালা

শিৱাত্মিকা আহমেদাবাদৰ নেশ্যনেল ইন্সটিটিউট অৱ ডিজাইনৰ পৰা ফ্লিম ডিজাইনত স্নাতক। তেওঁ স্পেইনৰ ভেলেন্সিয়াৰ পৰা ষ্টপ - মোছন-এনিমেছনত ডিপ্লমা কৰিছে। তেওঁ কাল্পনিক জগত আৰু ইয়াৰ চৰিত্ৰবোৰ অংকন কৰি তেওঁ ভাল পায়।



মৰমৰ বাইদেউ,

শুনিছো আপোনাৰ জ্বৰ হৈছে। অসুখ
হ'লে আমাৰ মায়ে দৰৱ বনাই।
আপুনিও বনাই খাব তেতিয়া
সোনকালে সুস্থ হব। তাৰপাছত
আৰামত উভতি আহিব। সম্পূৰ্ণ সুস্থ
হোৱাৰ পাছতহে। আমাৰ কাৰনে
চিন্তা নকৰিব।

**চিঠিৰ পৰা পোৱা এটা কাহিনী যিটো কণমানি ছোৱালীজনীয়ে বাইদেউলৈ লিখি আছে। এই চিঠিবোৰত আমাৰ সকলোৰে বাবে সুখ, মৰম, খং, দুষ্টামী আৰু বহুতো প্ৰশ্ন আছে।**

eklavya

Price: ₹ 110.00

9 789394 552432